**(খ) শাক্ত ধৰ্ম ঃ** অতি প্ৰাচীন কালৰে পৰাই কামৰূপ শক্তি সাধনাৰ বাবে

Scanned by CamScanner

উৎকৃষ্ট স্থান হিচাপে পৰিগণিত হৈ আহিছে। মহানিৰ্বাণ তন্ত্ৰত তান্ত্ৰিক-সাধনাৰ বাবে উল্লেখ কৰা প্ৰসিদ্ধ স্থানকেইখনৰ ভিতৰত কামৰূপৰ নামে উল্লেখ কৰিছে। যোগিনীতন্ত্ৰতো অনুৰূপ উল্লেখ পোৱা যায়। 'হৰগৌৰী সংবাদ'তো' কামৰূপৰ শ্ৰেষ্ঠতা পৱিত্ৰতাৰ কথা উল্লেখ কৰি এই পীঠত সাধকৰ সকলো মনোকামনা পূৰ্ণ হয় বুলি উল্লেখ কৰিছে :

*নৰকস্য পুৰং ৰম্যং পীঠং শ্ৰেষ্ঠমনুত্তমম্।*
*মুক্তিক্ষেত্ৰ পীঠ বলম সৰ্বকামফলপ্ৰদম্।*
*কামৰূপেতি তৎলোকা গায়ন্তি গিৰিনন্দিনি।।* [২৮]

অন্যান্য পুৰাণতো কামৰূপক সৰ্বশ্ৰেষ্ঠ সাধনপীঠ হিচাপে স্বীকাৰ কৰা দেখা যায়।[২৯] 'কালিকা পুৰাণ' আৰু 'যোগিনীতন্ত্ৰ'ত দেৱীৰ আবাসস্থল হিচাপে কামৰূপ শক্তি-সাধনাৰ আৰু সিদ্ধিলাভৰ উপযুক্ত স্থান হিচাপে নিৰ্ণীত হৈছে। কালিকা পুৰাণৰ মতে মহাপীঠ হিচাপে কামৰূপ চতুৰ্বৰ্গ ফল-প্ৰদায়ক আৰু ইয়াত হৰ-গৌৰী সদায় .বাস কৰে। সেইবাবেই কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰত কামৰূপৰ কামাখ্যা মন্দিৰত মহামায়াৰ পূজা সকলোতকৈ শুভফল প্ৰদায়ক বুলি উল্লেখ কৰিছে।

*'কামাখ্যায়াং মহামায়াপূজাং যঃ কৃতৱান নৰঃ।*
*স চেহ লভতে কামান্ পৰত্ৰ শিৱৰূপতাম্।।'* [৩০]
*'দেৱ মধ্যে যথা বিষ্ণুঃ সৰ্বশ্ৰেষ্ঠা যথা লক্ষ্মীঃ।*
*কামৰূপে তথা দেৱী  পূজা সৰ্বোত্তমা স্মৃতা।।*
*কামখ্যায়াং মহামায়াং যঃ পূজয়তি মানৱঃ।*
*সৰ্বকামমিহপ্ৰাপ্য পৰলোক শিৱোভৱেৎ।।'* [৩১]

অন্যান্য তন্ত্ৰ আৰু পুৰাণতো শক্তি সাধনৰ মহাপীঠ হিচাপে কামৰূপৰ কামাখ্যাৰ মহিমাৰ কথা ঘোষণা কৰিছে। কুব্জিকা তন্ত্ৰ, মহানিচাৰ তন্ত্ৰ আদিতো মহাপীঠ হিচাপে কামৰূপৰ শ্ৰেষ্ঠত্ব ঘোষিত হৈছে। কামাখ্যা তন্ত্ৰতো কামাখ্যাত যোনিপূজা অতি শুভ ফলপ্ৰদায়ক বুলি উল্লেখ কৰিছে। সেইদৰে 'দেৱীভাগৱত'তো কামৰূপক সৰ্বশ্ৰেষ্ঠ সাধনপীঠ হিচাপে স্বীকৃতি দিয়া দেখা যায় :

*'তেত্ৰত্যা পৃথিৱী সৰ্বা দেৱীৰূপা স্মৃতা বুধ।*
*নাতঃ পৰতৰং স্থানং কামাখ্যাযোনিমণ্ডলাৎ।।'* [৩২]

কালিকা পুৰাণৰ মতে নৰকেই পোনপ্ৰথমে প্ৰাগজ্যোতিষপুৰত শক্তিপূজাৰ প্ৰবৰ্তন কৰে। নৰকাসুৰে প্ৰাগজ্যোতিষৰ ৰাজপাট আৰোহণ কৰাৰ সময়ত কামাখ্যা দেৱীয়েই কামৰূপৰ নায়িকা— 'কামাখ্যা যত্ৰ নায়িকা।[৩৩] সেয়ে প্ৰাগজ্যোতিষৰ

Scanned by CamScanner

সিংহাসনত নৰকক অধিষ্ঠিত কৰি বিযুত্তৰে কামাখ্যাৰ বাহিৰে আন দেৱতাক পূজা নকৰিবৰ বাবে সকীয়াই থৈ গ'ল।[৩৯] সেয়ে পিতৃৰ নিৰ্দেশ অনুসৰি বেদশাস্ত্ৰত পাৰদৰ্শী নৰকে নীলাচল পাহাৰত কামাখ্যাদেৱীৰ পূজা কৰিছিল ঃ

*'নৰকোহপি তদাধীমান বেদশাস্ত্ৰাৰ্থপাৰগঃ।*
*ব্ৰাহ্মণ্যনীতিকুশলো বদান্যো দানতৎপৰঃ।।*
*কামাখ্যাপূজনৰতো নীলকূটে মহাগিৰৌ।।'* [৪০]

বিভিন্ন তাম্ৰশাসনৰ সাক্ষ্যৰ পৰা দেখা যায় যে ভাস্কৰবৰ্মা আৰু তেওঁৰ পূৰ্বপুৰুষসকল শৈৱ আছিল। অৱশ্যে ভাস্কৰবৰ্মা শৈৱ হ'লেও তেওঁ আন ধৰ্মৰ প্ৰতিও উদাৰ আছিল। ভাস্কৰবৰ্মাৰ পৰৱৰ্তী কালৰ শালস্তম্ভ আৰু পাল ৰাজবংশই কামৰূপত ৰাজত্ব কৰে আৰু তেওঁলোক মূলতঃ শৈৱ আছিল বুলি জনা যায়। অৱশ্যে নৱম শতিকাৰ ৰজা বনমালবৰ্মাৰ (৮৩৫-৮৬০ খ্ৰীঃ) তাম্ৰশাসনত থকা 'কামেশ্বৰ মহাগৌৰী'ৰ পৰা তেওঁৰ বংশৰ ৰজাসকল যে কামেশ্বৰ আৰু মহাগৌৰীৰ উপাসক আছিল সেই কথা অনুমান কৰিব পাৰি। পুৰণি কামৰূপৰ কিছুমান শিলত কটা দুৰ্গামূৰ্তি আৱিষ্কৃত হৈছে আৰু এইসমূহ নৱমৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত খোদিত বুলি পণ্ডিতসকলে অনুমান কৰিছে। পালবংশৰ ৰজা ইন্দ্ৰপালে (১০৩০-১০৫৫ খ্ৰীঃ) 'কামেশ্বৰ মহাগৌৰীকে'ই তেওঁৰ ইষ্টদেৱতা হিচাপে প্ৰণাম জনাইছে। গতিকে, কামৰূপৰ পাল ৰাজবংশৰ ৰজাসকল শৈৱ হ'লেও তেওঁলোক শক্তিক সমানেই উপাসনা কৰিছিল। কাৰণ, ইন্দ্ৰপালৰ তাম্ৰশাসনত তেওঁক ব্যাকৰণ, মীমাংসা আৰু ন্যায়ৰ লগতে তন্ত্ৰশাস্ত্ৰতো নিপুণ বুলি উল্লেখ কৰা হৈছে।'

পণ্ডিতসকলে অনুমান কৰে যে পাল ৰাজবংশৰ ৰাজত্বৰ কালছোৱাত কামৰূপত কালিকাপুৰাণ গ্ৰন্থ ৰচিত হয় আৰু এই সময়ছোৱাতেই কামৰূপত শক্তিবাদে ৰাজপৃষ্ঠপোষকতা লাভ কৰিবলৈ সক্ষম হয়। শক্তিবাদ আৰু শক্তিসাধন সম্পৰ্কীয় যিবোৰ কথা কালিকাপুৰাণত লিপিবদ্ধ হৈছে, সেয়া নিশ্চয় পুৰাণখনি ৰচনা কৰাৰ আগৰে পৰাই কামৰূপত প্ৰচলিত আছিল। এই সম্পৰ্কত বিশিষ্ট ইতিহাসবিদ কনকলাল বৰুৱাৰ মন্তব্য প্ৰণিধানযোগ্য ঃ

'The Kamrupa kings probably after Brahmapala adopted Tantrikism as their tenet, and as a result of his royal patronage, Kamakhya soon became a renowned centre of Trantic sacrifices, mysticism sorcery.' [৩৬]

চুতীয়াসকল শাক্ত আছিল আৰু তেওঁলোকে কেঁচাইখাতী দেৱীক পূজা-উপাসনা কৰিছিল। এই দেৱীয়ে পৰৱৰ্তী কালত তাম্ৰেশ্বৰী দেৱী নামে জনাজাত

Scanned by CamScanner

হয়। 'কছাৰী বুৰঞ্জী'ৰ পৰা জনা যায়  যে কছাৰীসকলো শক্তিৰ একনিষ্ঠ উপাসক আছিল।

শৈৱধৰ্মৰ দৰেই অসমৰ শাক্তধৰ্মৰ ঐতিহ্যও অতি প্ৰাচীন। মাতৃ উপাসক অষ্ট্ৰিক জাতিৰ সংস্কৃতিৰ প্ৰভাৱে পুৰণি কামৰূপত মাতৃতন্ত্ৰ বা মাতৃ-উপাসনাৰ ভেটি-নিৰ্মাণ কৰিছিল বুলি ভবাৰ থল যথেষ্ট। পণ্ডিতসকলে অনুমান কৰে যে অষ্ট্ৰিক সংস্কৃতিসম্পন্ন খাচীয়াসকলৰ 'কা-মেই-খা' বুঢ়ীগোসাঁইনী গাভৰু হৈ আৰ্যীকৰণ হয় আৰু সংস্কৃত পণ্ডিতৰ হাতত পৰি কামাখ্যা দেৱী ৰূপে গঢ় লয়।[৩৭] অসমৰ জনজাতীয় সমাজত বিশেষকৈ কছাৰী, জয়ন্তীয়া, আহোম, চুতীয়া আদি জনগোষ্ঠীৰ মাজত লোকাচাৰ মতে নানা ৰূপত শক্তিৰ উপাসনা কৰা হৈছিল। শংকৰদেৱৰ উপৰিপুৰুষ ভূঞাসকলো এসময়ত শাক্ত আছিল।

পুৰণি অসমৰ শাক্ত পীঠসমূহত বলি-বিধান দি পূজা কৰা হৈছিল। কামাখ্যাৰ ভৈৰবী মন্দিৰ আৰু কেঁচাইখাতীৰ আগতো বলি দিয়া হৈছিল। দেওশালসমূহত হাঁহ, পাৰ, ছাগলী, ম'হ আদি বলি দিয়া হৈছিল। সুবচনী পূজাতো লোকাচাৰ অনুসৰি নানাবিধ বলি দিয়া হৈছিল। শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰ, মালিনী, ফুলবাৰী, নীলাচলৰ কামাখ্যা, শিলঘাটৰ কামাখ্যা, নুমলীগড় আদিত অতি প্ৰাচীন কালতেই শক্তিপীঠ প্ৰতিষ্ঠা কৰা হৈছিল। দুৰ্গাপূজাৰ সময়ত এই শাল বা থানবোৰত বিভিন্ন বলি দি পূজা কৰা হৈছিল। অ-ব্ৰাহ্মণ পুৰোহিতে কেঁচা তেজ দেৱীলৈ আগবঢ়াই সেৱকক আশীৰ্বাদ দিছিল আৰু বলি কটা ছাগলী বা ম'হৰ মাংস প্ৰসাদৰূপে ভক্ষণ কৰিছিল। কোনো কোনো পীঠত ব্ৰাহ্মণ পুৰোহিতে যথাবিহিত পূজা কৰিছিল। শিৱসিংহৰ দিনত ৰজাই পৰ্বতীয়া গোসাঁইৰ দীক্ষা লৈ শাক্তধৰ্ম গ্ৰহণ কৰে আৰু ফলস্বৰূপে শাক্ত-বৈষ্ণৱৰ শীতল সংঘৰ্ষ আৰম্ভ হয়।[৩৮] অৱশ্যে তেওঁৰ আগতে ৰজা গদাধৰ সিংহই ৰাজধানীত দুৰ্গাপূজা পাতিবলৈ অনুমতি দিছিল যদিও নিজে পূজাত অংশগ্ৰহণ কৰা নাছিল।

পৰ্বতীয়া গোসাঁইৰ আগমনে অসমৰ শক্তি উপাসনা পদ্ধতিলৈ পৰিৱৰ্তনৰ জোৱাৰ আনে। পুৰণি অসমৰ দেৱীথান আৰু দেওথানসমূহত অনাৰ্য পদ্ধতিৰে পূজা চলিছিল। বিশেষকৈ ফুলবাৰী, দেওঘৰ, দেওপানী আৰু কামাখ্যা আদিত প্ৰাচীন জনজাতীয় পদ্ধতিৰে পূজা কৰা হৈছিল। পৰ্বতীয়া গোসাঁয়ে নিজে পূজাবিধি ৰচনা কৰি অসমৰ থান-দেৱালয় আদিত নতুন পদ্ধতিৰে পূজা চলাবলৈ নিৰ্দেশ দিয়ে।

শিৱ সিংহৰ দিনত (১৭১৮-৪৪) ৰজাই পৰ্বতীয়া গোসাঁইৰ ওচৰত দীক্ষা লৈ শাক্ত ধৰ্ম গ্ৰহণ কৰাত তেওঁক ভালৰি বোলাবলৈ অনেক মন্ত্ৰী আৰু বিষয়াই

Scanned by CamScanner

পর্বতীয়া গোসাঁইৰ ওচৰত দীক্ষাগ্ৰহণ কৰে। পৰ্বতীয়া গোসাঁয়ে এনেদৰে ভালেমান প্ৰভাৱশালী শিষ্য আৰু ধন-সম্পত্তি লাভ কৰি অধিক ক্ষমতাশালী হৈ উঠে। আনহাতে কাল-সংহতিৰ শিষ্যসকলে শাক্ত মন্ত্ৰ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে আৰু ফলস্বৰূপে শাক্ত আৰু বৈষ্ণৱৰ মাজত এক শীতল সংঘৰ্ষৰ সূত্ৰপাত হয়।

'আহোম ৰাজত্বকালৰ শেষৰফালে দুৰ্গা বা শক্তিয়ে আহোম ৰজাসকলৰ উপাসনাত প্ৰাধান্য লাভ কৰে। দিহিংগীয়া ৰজাৰ দিনৰ পৰা আহোমসকলে লোক-পৰম্পৰা অনুসাৰে' কেঁচাইখাতী গোসাঁনীক পূজা দিবলৈ ধৰে। দেওশালবিলাকত নৰবলি দিয়া প্ৰথাও প্ৰচলিত আছিল আৰু প্ৰজাসকলে ৰজা প্ৰতাপসিংহৰ দীৰ্ঘায়ু কামনা কৰি প্ৰাৰ্থনা জনাইছিল এনেদৰে— 'স্বৰ্গদেৱৰ সলনি আমাৰে নশ নৰবলি আইলৈ দিমহঁত, তেওঁ স্বৰ্গদেউ কুশলে থাকক।'

আহোম ৰজাসকলৰ ভিতৰত পোনপ্ৰথমে প্ৰতাপ সিংহই মাটিৰ প্ৰতিমা সজাই দুৰ্গাপূজা কৰে। সুন্দৰ গোসাঁইৰ মুখেদি কোঁচ ৰাজধানীত ৰাজসিকতাৰে দুৰ্গোৎসৱ পালন কৰাৰ কথা শুনি ৰজাই তেওঁলোকক দেৱীঘৰতো মৃন্ময় মূৰ্তিত পূজা কৰাৰ ব্যৱস্থা কৰিছিল। তেতিয়াৰ পৰা আহোম ৰাজগৃহত নিয়মীয়াভাৱে শাৰদীয় দুৰ্গাপূজা অনুষ্ঠিত হয়। আহোমৰ ৰজা ৰুদ্ৰসিংহই জয়সাগৰৰ পশ্চিমপাৰে ইটাৰে এটি স্থায়ী দেৱীঘৰ নিৰ্মাণ কৰে। ইয়াৰ আগলৈকে অস্থায়ী মণ্ডপতহে দুৰ্গাপূজা অনুষ্ঠিত হৈছিল। তেতিয়াৰ পৰা ৰংপুৰত ৰাজধানী থকালৈকে দেৱীঘৰতে পূজা অনুষ্ঠিত হৈছিল।

আহোমসকলৰ মাজত দুৰ্গাপূজাৰ বাহিৰেও লোকাচাৰ অনুসৰি সুবচনী নামৰ বিশেষ শক্তিপূজাৰ প্ৰচলন আছিল। তেওঁলোকৰ বাবে সুবচনীয়েই ৰাজধৰণী, সংসাৰ ধৰণী আৰু জগত ঈশ্বৰী। সুবচনীৰ বাহিৰেও তেওঁলোকে কেঁচাইখাতী, লখিমী আদি শক্তিৰ পূজা কৰে। অসমৰ প্ৰাচীন শক্তিপীঠ কামাখ্যা, তাম্ৰেশ্বৰী আৰু কেঁচাইখাতীৰ বাহিৰে প্ৰায়বোৰ শক্তিপীঠেই আহোম ৰাজত্ব কালতে নিৰ্মিত হয়। তাৰ ভিতৰত শিৱসিংহৰ দিনত শিৱসাগৰৰ দেৱীদল, গৌৰীসাগৰৰ দেৱীদল, উগ্ৰতাৰা মন্দিৰ, প্ৰমত্ত সিংহৰ দিনত শিলঘাটৰ কামাখ্যা মন্দিৰ, ৰাজেশ্বৰ সিংহৰ দিনত ৰংপুৰৰ হৰ-গৌৰী দেৱালয়, দীৰ্ঘেশ্বৰী মন্দিৰ, নাতি গোসাঁইৰ দ'ল, নেঘেৰীটিঙৰ পঞ্চদেৱতাৰ মন্দিৰ, লক্ষ্মীসিংহৰ দিনত হাজোৰ জয়দুৰ্গা মন্দিৰ, গৌৰীনাথ সিংহৰ দিনত বুঢ়ী গোঁসানীৰ দেৱালয়, ছত্ৰাকাৰ দেৱালয় আদি বিভিন্ন শক্তিপীঠ দ'ল-দেৱালয় আদি নিৰ্মিত হয়।

শক্তিপূজা বা মাতৃপূজা উৰ্বৰা বিশ্বাসৰ প্ৰতীক আৰু ইয়াৰ সৈতে কৃষিৰ সম্পৰ্ক আছে। উমা, পাৰ্বতী আৰু দুৰ্গাই ভাৰতীয় সংস্কৃতিত মাতৃপূজাৰ সৰ্বোৎকৃষ্ট

Scanned by CamScanner

নিদৰ্শন হিচাপে প্ৰাধান্য লাভ কৰা দেখা যায়। পৃথিৱীৰ উৰ্বৰা শক্তিৰ সৈতে মাতৃশক্তিৰ সাদৃশ্য আছে। ভাৰতীয় সভ্যতা-সংস্কৃতিৰ ইতিহাসত অষ্ট্ৰিক, প্ৰটʼঅষ্ট্ৰলয়দ প্ৰভৃতি জনগোষ্ঠীয়ে মাটি খন্দা আৰু কৃষি পদ্ধতি আৱিষ্কাৰৰ যোগেদি মানৱ সভ্যতালৈ অপৰিসীম অৱদান আগবঢ়াই থৈ গৈছে। মাতৃশক্তিক 'ভগৱতী' বোলা হৈছে, যি 'ভগ'ৰ অধিকাৰী, আনহাতে পুৰুষশক্তি ভগৱান। পাণিনিৰ সূত্ৰৰ ওপৰত মন্তব্য কৰি পতঞ্জলিয়ে শৈৱ উপাসকসকলক শিৱ-ভাগৱত বুলিছে। স্ত্ৰী শক্তি হৈছে জগতৰ সকলো জাগতিক পদাৰ্থৰ সৃষ্টিকৰ্ত্ৰী আৰু ভাগৱত— যিটো শিৱ আৰু আন ঈশ্বৰৰ ক্ষেত্ৰতো প্ৰয়োগ কৰা হয়, সেয়া ভগৱতীৰ পুংৰূপ হিচাপে পৰৱৰ্তী কালত ব্যৱহাৰ কৰা হয়।

চাৰ্লচ ইলিয়টে উল্লেখ কৰিছে যে শাক্তধৰ্ম হ'ল বহুত নাম আৰু ৰূপৰ এগৰাকী দেৱীক নানা যৌনাচাৰ আৰু জীৱবলি আৰু য'ত আইনে বাধা নিদিয়ে, নৰবলিৰে কৰা পূজা (A Goddess of many names and forms who is adored with sexual rites and the sacrifice of animals or when, the law permits, of man) [৩] পণ্ডিতসকলে দুৰ্গাৰ বিভিন্ন নাম, ৰূপ আৰু পূজা পদ্ধতিলৈ চাই আৰ্য, অনাৰ্য, হিন্দু, বৌদ্ধ, তান্ত্ৰিক, দ্ৰাবিড়ী, মংগোলীয় আনকি সুমেৰীয়া, বেবিলনীয় আৰু হেলনিক বিশ্বাস আৰু ধ্যান-ধাৰণাৰ উপকৰণ দেখা পাইছে।' প্ৰাচীন কামৰূপত শক্তিয়ে তেনেই আদিম ৰূপৰ পৰা আৰম্ভ কৰি শেহতীয়া ৰূপতো প্ৰচলিত হৈছিল। শক্তি নানা ৰূপত আৰু নামত পূজিতা,— কুমাৰী, কালী, কপালী, মহাকালী, চণ্ডী, চামুণ্ডা, কৰালা, কাত্যায়নী, তাৰা, উগ্ৰতাৰা, উমা, পাৰ্বতী, দুৰ্গা, শ্যামা, ভদ্ৰা, ভদ্ৰাকালী, বিজয়া, কৌশিকী, কণ্টাৰবাসিনী, কালিকা, হৈমৱন্তী দেৱী, মহাদেৱী, ভৈৰৱী, ত্ৰিনয়নী, অম্বিকা, ভৱানী, জগন্মাতা, ভগৱতী, মহেশ্বৰী, জগদ্ধাত্ৰী, মহিষমৰ্দিনী ইত্যাদি নামত শক্তিপূজা কৰা হয়। তদুপৰি শক্তিৰ কিছুমান থলুৱা নাম আৰু ৰূপো দেখা পোৱা যায়। প্ৰাচীন কামৰূপত আই মহামায়া কেঁচাইখাতী, ভুৰুলী, মালিনী, বুঢ়ীগোসাঁনী আৰু কামাখ্যা নামতো পূজিতা আছিল। শক্তিক সদায়েই জীৱৰ তেজেৰে পূজা কৰা হৈছিল।

শাক্ত দৰ্শন মতে শক্তিয়েই বিশ্ব সৃষ্টিৰ মূল কাৰণ। সৃষ্টিৰ প্ৰতিটো অণুতেই শক্তি বিৰাজ হৈ আছে। শক্তিৰ ইচ্ছাতেই ভৌতিক জগতৰ সৃষ্টি হৈছে। এই শক্তি চিদ্ৰূপিনী, চৈতন্য স্বৰূপিনী। শক্তিৰ আত্মপ্ৰকাশৰ ফলতেই বৈচিত্ৰ্যময় জগতৰ সৃষ্টি হৈছে। বিশ্বসৃষ্টিৰ মূলতে যি পৰমাত্মা বিদ্যমান, সেয়ে শক্তিৰ পৰম ৰূপ। শিৱ পুৰাণৰ মতে দেৱী সাক্ষাৎ (পৰা) শক্তি আৰু মহাদেৱ শক্তিমান, এই সমস্ত চৰাচৰ জগত তেওঁলোকৰ বিভূতি মাত্ৰ।

Scanned by CamScanner

*শক্তি সাক্ষান্মহাদেৱী মহাদেৱঃ বিভূতি স শক্তিমান।*
*তয়োর্বিভূতিলেশো বৈ সর্বমেতচ্চৰাচৰম্।।*

শিৱ আৰু শক্তি দুয়ো জগতৰ কৰ্ত্ৰী, দুয়ো এক আৰু অভিন্ন, জোন আৰু জ্যোৎস্নাৰ দৰেই শিৱ-শক্তিৰ অভিন্ন সম্পৰ্ক। শিৱৰ অনুৰূপ গুণৰাশিৰে গুণান্বিত বাবেই পৰমাপ্ৰকৃতি বা শক্তিক শিৱৰ সহধৰ্মিনী আখ্যা দিয়া হৈছে। এই শক্তিয়েই প্ৰয়োজনবোধে সূক্ষ্ম আৰু স্থুল শৰীৰ ধাৰণ কৰি বিবিধ ৰূপত অভিব্যক্ত হয়। তিলৰ ভিতৰত তেল থকাৰ দৰেই সমস্ত জগত-প্ৰপঞ্চতে শক্তিয়ে বিৰাজ কৰি আছে। সেইবাবেই চৰাচৰ জগত শক্তিময়।

Scanned by CamScanner